
উত্তৰ-পূৰ্বাঞ্চল

মেঘালয়ৰ MDA-II চৰকাৰৰ পৰা UDPৰ সমৰ্থন প্ৰত্যাহাৰ

বিধায়কৰ দলত্যাগৰ ফলত মেঘালয় বিধানসভাত মাত্ৰ এজন বিধায়ক থকা UDP-এ কনৰাড কে. চাংমা নেতৃত্বাধীন MDA-II চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰিছে।

প্ৰকাশ: ৩ নৱেম্বৰ ২০২৬, আবেলি ৬:৫২



(Social media)

৩ নৱেম্বৰ: মেঘালয়ৰ কনৰাড কে চাংমা নেতৃত্বাধীন MDA-II চৰকাৰৰ পৰা আনুষ্ঠানিকভাৱে সমৰ্থন প্ৰত্যাহাৰ কৰিলে United Democratic Party (UDP)-এ। মঙলবাৰে অনুষ্ঠিত দলটোৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ (CEC) বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

বিধায়কৰ দলত্যাগৰ ফলত UDPৰ বিধায়কৰ সংখ্যা ১২ৰ পৰা মাত্ৰ এজনলৈ হ্ৰাস পোৱাৰ পাছতে দলটোৱে এই পদক্ষেপ গ্ৰহণ কৰে। ২০২৩ চনৰ বিধানসভা নিৰ্বাচনৰ পাছত ৰাজ্যখনৰ দ্বিতীয় বৃহত্তম ৰাজনৈতিক শক্তি হিচাপে আত্মপ্ৰকাশ কৰিছিল UDP।

তথ্য অনুসৰি, ২০২৬ চনৰ ছেপ্টেম্বৰ মাহত দলটোৰ আঠগৰাকী বিধায়কে BJPত যোগদান কৰে। ইয়াৰ পাছত শেহতীয়াকৈ আন তিনিগৰাকী বিধায়কে মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ National People’s Party (NPP)ত যোগদান কৰে। ফলত ৬০জনীয়া মেঘালয় বিধানসভাত UDPৰ প্ৰতিনিধিত্ব মাত্ৰ এজনলৈ হ্ৰাস পায়।

দলটোৰ সভাপতি তথা একমাত্ৰ অৱশিষ্ট বিধায়ক মেটবাহ্ লিংডোৱে ৩১ অক্টোবৰত মন্ত্ৰী পদৰ পৰা পদত্যাগ

কৰিছিল। তেওঁ শক্তি, বস্ত্র, জলসম্পদ আৰু কৰ বিভাগৰ দৰে গুৰুত্বপূৰ্ণ দপ্তৰৰ দায়িত্বত আছিল।

UDPৰ সাধাৰণ সম্পাদক টিটোছষ্টাৰৱেল চাইনে কয় যে দলটোৰ একমাত্ৰ বিধায়কজনে মন্ত্ৰী পদ এৰাৰ পাছত MDA-II চৰকাৰক সমৰ্থন কৰি থকাৰ কোনো যুক্তি নাছিল। CECৰ বৈঠকৰ পাছত তেওঁ সংবাদ মাধ্যমক জনায় যে দলটোৱে বিৰোধীৰ আসনত বহাৰ সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰিছে।

এতিয়াৰে পৰা দলটোৱে তৃণমূল পৰ্যায়ত সাংগঠনিক ভেটি পুনৰ শক্তিশালী কৰা আৰু জনস্বাৰ্থৰ বিষয়সমূহ স্বাধীনভাৱে উত্থাপন কৰাত গুৰুত্ব দিব বুলি দলীয় নেতৃত্বই জানিবলৈ দিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/605/udp-quits-meghalaya-mda-ii-government-after-defections